# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

বুধবাৰ, ১২ মাৰ্চ, ২০২৫

**কৃষি, আৱকাৰী, সীমান্ত সুৰক্ষা আৰু উন্নয়ন, উদ্যান শস্য, অসম চুক্তি ৰূপায়ণ, তথ্য, জনসংযোগ, ছপা আৰু লেখন সামগ্ৰী, সামাজিক ন্যায় আৰু সৱলীকৰণ, জলসম্পদ, খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা, খনি আৰু খনিজাত দ্ৰব্য, বৰাক উপত্যকা উন্নয়ন।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা-২০**

*বিষয় ঃ* **হিমঘৰ (Cold Storage) সম্পৰ্কে**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

* ১৮১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও জিলাত হিম ঘৰ (Cold Storage) আছে নেকি? যদি আছে, কোন কোন স্থানত আছে? জনাব।

(খ) ব্যক্তিগত খণ্ডত হিম ঘৰ (Cold Storage) স্থাপনৰ বাবে চৰকাৰে কি ধৰণে সহায় কৰে? জনাব।

(গ) অভয়াপুৰী উত্তৰ সমষ্টিৰ অন্তৰ্গত শাক-পাচলি, জলকীয়া আদি উৎপাদন কৰা জপেয়া, ৰাঙাপানী, নাম্বাৰপাৰা-চাকলা, গোলাপাৰা, বালাৰচৰ আদি অঞ্চল সাঙুৰি এটা হিম ঘৰ (Cold Storage) চৰকাৰে স্থাপনৰ বাবে বিবেচনা কৰিব নেকি?

(ঘ) Cold Storage ৰ পৰিৱৰ্তে Cold Room স্থাপনৰ পৰিকল্পনা চৰকাৰে গ্ৰহণ কৰিব নেকি?

*বিষয় ঃ* **পুঁজি সম্পৰ্কে**

শ্ৰীজাকিৰ হুসেন লস্কৰ ঃ

* ১৮২। মাননীয় বরাক উপত্যকা উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করে জানাবেন কি ঃ

বরাক উপত্যকা উন্নয়ন বিভাগকে এবার বাজেট থেকে কি কোনো অর্থ দেওয়া হবে কি? যদি দেওয়া হয়, তাহলে কোন কোন বিভাগে দেওয়া হবে, তা বিস্তারিত ভাবে জানানোর অনুরোধ রইলো।

*Subject :* **Permanent protection to Doboka MB area.**

Shri Sirajuddin Ajmal :

* 183. Will the Minister of Water Resources Department be pleased to State :

(a) The latest update about the construction of a flood embankment along the Kopili River in Hojai District ?

(b) Number of schemes that have been implemented/are being implemented, the amount of fund approved or sanctioned for taking up various work under the Water Resources Department in Hojai District, please give in details year-wise in current year and for the last three years.

(c) Whether the Government is aware of facts of massive erosion of the banks of the river Jamuna starting from Ward No. 5, 4,7 and 9 causing a threat to the existence of Doboka Township under Binnakandi LAC ?

(d) If so, will the Government consider taking up a Mega-project for permanent protection of Doboka Township ?

*বিষয় ঃ* **ট্ৰেক্টৰ সন্দৰ্ভত**

শ্ৰীচক্ৰধৰ গগৈ ঃ

* ১৮৪। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১৬ চনৰ পৰা বৰ্তমানলৈকে কৃষি বিভাগৰ জৰিয়তে কিমানখন ট্ৰেক্টৰ আৰু পাৱাৰ টিলাৰ ৰাজ্যখনত প্ৰদান কৰা হ'ল? তাৰে ডিব্ৰুগড় জিলাত কিমানখন দিয়া হৈছে আৰু কি কি আঁচনিৰ অধীনত দিয়া হৈছে?

(খ) ২০২৪ বৰ্ষত ডিব্ৰুগড় জিলালৈ কৃষি বিভাগে কিমান পৰিমাণৰ কি কি ৰবি শস্যৰ বীজ যোগান ধৰিছিল? প্ৰকাৰ অনুসৰি পৰিমাণ সহ জনাব।

(গ) ডিব্ৰুগড় জিলাৰ নিম্ন উল্লেখিত চাৰিটা কৃষি চক্ৰত ২০২৪ বৰ্ষত কি কি ৰবি শস্যৰ বীজ কিমান পৰিমাণকৈ কোন কোন খেতিয়কলৈ দিয়া হ'ল, বিতং ভাবে ঠিকনা সহ জনাব।

কৃষি চক্ৰ- ১) চেচুঘাট কৃষি চক্ৰ
২) মৰাণ কৃষি চক্ৰ
৩) বৰবৰুৱা কৃষি চক্ৰ
৪) মানকটা কৃষি চক্ৰ

*Subject :* **Jhanji River left Bank Road cum Embankment.**

Shri Rupjyoti Kurmi :

* 185. Will the Minister of Water Resources Department be pleased to State :

(a) Is the Govt. aware that presently the Jhanji River left Bank Road cum Embankment, under Mariani LAC is in dilapidated condition ?

(b) If yes, will the Govt. take up

the Road cum embankment under NESIDS Scheme at the earliest ?

(c) If yes, by when ?

*Subject :* **Total Number of Breaches.**

Shri Misbahul Islam Laskar :

* 186. Will the Minister of Water Resources Department be pleased to State :

(a) What is the total no. of breaches in all the dyke of Cachar District due to flood ?

(b) How many places of Borkhola LAC till date are erroded by the river Barak Jathinga and Gagra?

(c) Whether the department has called for tenders and issued work order for repairing of damaged dykes and for anti-errosion skills of Borkhola LAC ?

*বিষয় ঃ* **দুৰ্নীতিমুক্ত নিচামুক্তি কেন্দ্ৰ (Rehabilitation Centre)**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

* ১৮৭। মাননীয় সামাজিক ন্যায় আৰু সৰলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত কিমান সংখ্যক চৰকাৰী আৰু বেচৰকাৰী নিচামুক্তি কেন্দ্ৰ (Rehabilitation Centre) আছে? সবিশেষ তথ্য সহকাৰে জনাব।

(খ) এই নিচামুক্তি কেন্দ্ৰ (Rehabilitation Centre) সমূহত উন্নত মানৰ সা-সুবিধাৰ ব্যৱস্থা কৰিছে নেকি ? যদি কৰিছে, জনাব আৰু যদি কৰা নাই, কেতিয়াকৈ কৰিব ? জনাব।

(গ) কামৰূপ গ্ৰাম্য জিলাত কিমানখন নিচামুক্তি কেন্দ্ৰ (Rehabilitation Centre) আছে? যদি আছে, এই Centre সমূহৰ আধুনিকীকৰণ আৰু নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰিবলৈ কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

(ঘ) ৰাজ্যৰ মহিলা নিচামুক্তি কেন্দ্ৰ সমূহত বিভিন্ন ধৰণৰ আসোঁৱাহ পৰিলক্ষিত হোৱা দেখা যায়। চৰকাৰে ইয়াৰ কিবা ব্যৱস্থা হাতত লৈছে নেকি ? যদি লৈছে, সবিশেষ বিতংকৈ তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **ট্ৰেক্টৰ, পাৱাৰ টিলা বিতৰণ সন্দৰ্ভত।**

শ্ৰীবিনোদ হাজৰিকা ঃ

* ১৮৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ কৃষি বিভাগৰ তৰফৰ পৰা ২০২১-২২, ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষলৈকে ডিব্ৰুগড় জিলাত বিভিন্ন আঁচনিৰ জৰিয়তে কিমানখন ট্ৰেক্টৰ আৰু পাৱাৰ টিলা বিতৰণ কৰা হ'ল ? সমষ্টি ভিত্তিত তালিকা দাখিল কৰিব।

(খ) ইয়াৰোপৰি কৃষি বিভাগে কি কি নতুন আঁচনি হাতত লৈছে জনাব।

*বিষয় ঃ* **নাগালেণ্ডৰ সীমা সমস্যা**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

* ১৮৯। মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম-নাগালেণ্ড সীমান্তৰ বিভিন্ন অঞ্চলত নগালোকৰ দ্বাৰা মুঠ কিমানবাৰ সীমা অতিক্ৰমণৰ ঘটনা সংঘটিত হৈছে? বিতং তথ্য দাখিল কৰিব।

(খ) সীমান্তৱৰ্তী অঞ্চলৰ ৰাইজৰ নিৰাপত্তাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) অসম নাগালেণ্ড সীমান্তৰ বিহুবৰ গেলেকী অঞ্চলত নগাৰ আগ্ৰাসনৰ বিষয়ে চৰকাৰ অৱগত নে?

(ঘ) হালোৱাটিঙত অসম-নাগালেণ্ড সীমাত স্থাপন কৰিবলগীয়া বি'অ'পি বৰ্তমানলৈকে সম্পূৰ্ণ কৰিব নোৱাৰাৰ কাৰণ কি?

(ঙ) এই বি'অ'পিটো কেতিয়ালৈ সম্পূৰ্ণ কৰিব?

(চ) সীমান্তৱৰ্তী অঞ্চলৰ বিহুবৰ ঔগুৰিজানতো স্থাপন কৰিবলগীয়া বি'অ'পি টো নগালোকৰ বাধাৰ বাবে স্থাপন কৰিব নোৱাৰাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে জনাব।

*বিষয় ঃ* **ONGC- ৰ খনন কাৰ্য্য**

শ্ৰীবিদ্যা সিং ইংলেং ঃ

* ১৯০। মাননীয় খনি আৰু খনিজাত দ্ৰব্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ডিফু বিধান সভা সমষ্টিৰ অন্তৰ্গত ধনশিৰি (Dhansiri) অঞ্চলত ONGC ৰ খনন কাৰ্য্য হ'ব বুলি বাতৰি প্ৰকাশ পোৱাতো সত্য নেকি? যদি সত্য, এই ক্ষেত্ৰত কাম কিমান দূৰ আগবাঢ়িছে?

(খ) সম্ভাব্য এই প্ৰজেক্টৰ বাবদ কিমান পৰিয়ালৰ মাটি অধিগ্ৰহণ কৰা হৈছে বা হ'ব?

(গ) মাটি অধিগ্ৰহণ কৰা এই পৰিয়াল সমূহক চৰকাৰৰ ফালৰ পৰা ক্ষতিপূৰণ হিচাপে কিমানকৈ টকা দিয়া হৈছে বা দিবলৈ বাকী আছে?

(ঘ) ক্ষতিপূৰণ পোৱা এই পৰিয়াল সমূহৰ নাম আৰু সম্পূৰ্ণ ঠিকনাসহ প্ৰত্যেকে কিমানকৈ টকা পাইছে তথ্য দিব।

*বিষয় ঃ* **কমলাৰ উৎপাদন সম্পৰ্কে**

শ্ৰীসুৰেন ফুকন ঃ

* ১৯১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিৰ লগতে তিনিচুকীয়া জিলাত কমলাৰ উৎপাদনৰ পৰিমাণ বৰ্তমান কিমান? বিগত ৫ বছৰত এই পৰিমাণ কিমান হাৰত কমি আহিছে? (বিতংভাৱে জনাব)।

(খ) কৃষি বিভাগে তিনিচুকীয়া জিলাত কমলাৰ উৎপাদন বৃদ্ধিৰ বাবে কি কি ব্যৱস্থা হাতত লৈছে আৰু লোৱাৰ পৰিকল্পনা আছে? (বিতং ভাৱে জনাব)।

*বিষয় ঃ* **Solar Pump বিষয়ে**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

* ১৯২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰ্তমান অসমৰ কিমানখন জিলাত কৃষকৰ বাবে Solar Pump দিয়াৰ ব্যৱস্থা কৰিছে আৰু গোৱালপাৰা জিলাত কিমান Solar Pump দিয়া হৈছে, সমষ্টি ভিত্তিক তালিকাখন দাখিল কৰিব।

(খ) যোৱা তিনিটা বছৰত গোৱালপাৰা জিলাৰ জলেশ্বৰ সমষ্টিত কিমান কৃষকক কি কি শস্যৰ বীজ যোগান ধৰিলে জনাব।

*বিষয়ঃ* **মূল্যবৃদ্ধি সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

* ১৯৩। মাননীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যত দৈনিক মূল্যবৃদ্ধিৰ বিষয়ে বিভাগ অৱগতনে? যদি অৱগত, মূল্যবৃদ্ধি ৰোধৰ বাবে বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে? (বিতংকৈ জনাব)।

(খ) চাউল, আটা, ময়দা, মিঠাতেল, ৰিফাইন তেল, দাইল, চেনী, গুৰ, নিমখ আদিৰ মূল্য (কেজি / লিটাৰ) ২০২১ বৰ্ষত কিমান আছিল আৰু বৰ্তমান বজাৰ মূল্য কিমান? বিতং তথ্য দিব।

(গ) মূল্যবৃদ্ধিৰ কাৰণ সমূহ কি কি?

(ঘ) এই বিভাগত বৰ্তমান কিমান বিষয়া-কৰ্মচাৰীৰ পদ খালী হৈ আছে? খালী থকা পদসমূহ কেতিয়া পূৰণ কৰিব? (বিতং তথ্য দিব)।

(ঙ) উক্ত বিভাগৰ বিষয়া কৰ্মচাৰীসকলে হাট-বজাৰত অসাধু ব্যৱসায়ৰ বিৰুদ্ধে অভিযান চলাই নেকি? যদি চলায়, চলিত বিত্তীয় বৰ্ষত ক'ত ক'ত অভিযান চলাইছে? বিতং তথ্য দিব।

*বিষয়ঃ* **গৰাখহনীয়া প্ৰতিৰোধ**

শ্ৰীআব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

* ১৯৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলকগঞ্জ সমষ্টিৰ অতি স্পৰ্শকাতৰ এলেকা যেনে ঃ উত্তৰ কৈশাৰী, লোহাজানী, উত্তৰ মৰাগদাধৰ, শিঙিমাৰী, উত্তৰ টোকৰাৰছৰা, কুমাৰগঞ্জ, পূব-ৰতিযাদাহ, লক্ষিমাৰী, গোলকগঞ্জ টাউন ইত্যাদি অঞ্চল গংগাধৰ নৈৰ গৰাখহনীয়াত সৰ্বহাৰাৰ বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, এই অঞ্চলৰ খহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে কেতিয়া আঁচনি গ্ৰহণ কৰিব? অনুগ্ৰহ কৰি সদনত জনাব।

(খ) ২০২৪-২৫ বিত্তীয় বৰ্ষত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কি কি আঁচনি গ্ৰহণ কৰিছে? গোলকগঞ্জ সমষ্টিত কিবা আঁচনি গ্ৰহণ কৰিছেনে? জনাব।

(গ) ২০২৩-২৪ বিত্তীয় বৰ্ষত গোটেই অসমত Section 50 ৰ অধীনত কিমান টকাৰ আঁচনি গ্ৰহণ কৰা হৈছিল আৰু কিমান আঁচনি আজিলৈকে মঞ্জুৰীপ্ৰাপ্ত হ'ল? অনুগ্ৰহ কৰি সদনত জনাব।

(ঘ) গৰাখহনীয়া আঁচনি সমূহ বাছনি কৰাৰ সময়ত কি কি Parameter ক প্ৰাধান্য দিয়া হয়? সেই গুণবোৰ গোলকগঞ্জ সমষ্টিৰ খহনীয়া আক্ৰান্ত অঞ্চলত নাই নেকি? জনাব।

(ঙ) গংগাধৰ নদীৰ দুয়োপাৰৰ প্ৰায় ৪০ কি.মি. এলেকাসমূহ খহনীয়াৰ পৰা পৰিত্ৰাণৰ নিমিত্তে WORLD BANK ৰ সহায় ল'ব নোৱাৰি নেকি? যদি পাৰি, আঁচনি সমূহ কেতিয়ালৈ কাৰ্য্যকৰী কৰা হ'ব? জনাব।

*বিষয়ঃ* **সৰকাৰি FLS সম্পৰ্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

* ১৯৫। মাননীয় Information, Public Relations, Printing and Stationery বিভাগীয় মন্ত্ৰী মহাশয় অনুগ্ৰহ করিয়া জানাইবেন কি ঃ

করিমগঞ্জ শহরে কবে হইতে FLS দ্বারা

সরকারি ঘোষণা চালু হইয়াছে এবং সেই সময় শহরের জনসংখ্যা কত ছিল? বর্তমানে কতটি FLS পয়েণ্ট আছে এবং বর্তমান জনসংখ্যা কত? তার বিস্তারিত তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*বিষয় ঃ* **কৃষি সম্পৰ্কে**

শ্ৰীমজিবুৰ ৰহমান ঃ

* ১৯৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ দলগাঁও সমষ্টিত শাক-পাচলিৰ নিম্নতম মূল্য নিৰ্ধাৰণ নথকাৰ বাবে খেতিয়কে শাক-পাচলি পানীৰ দৰত বেচিব লগা হয়, যাৰ ফলত খেতিয়কসকলে বহু লোকচান ভৰিব লগা হয়। এই ক্ষেত্ৰত চৰকাৰে কিবা পদক্ষেপ গ্ৰহণৰ পৰিকল্পনা কৰিছে নেকি? যদি কৰা নাই, তেতিয়াহ'লে কেতিয়া কৰিব? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) কৃষি উৎপাদনৰ ক্ষেত্ৰত কৃষক সকলৰ জৈৱিক সাৰ ব্যৱহাৰৰ পৰ্য্যাপ্ত পৰিমাণৰ জ্ঞান নথকা বাবে ৰাসায়নিক সাৰ ও ঔষধ ব্যৱহাৰ কৰাৰ ফলত মাটিৰ উৎপাদন ক্ষমতা হ্ৰাস পাইছে। সেয়েহে কৃষক সকলৰ জৈৱিক সাৰ উৎপাদন তথা প্ৰয়োগ কৰাৰ প্ৰশিক্ষণৰ বাবে এখনি জৈৱিক কৃষি প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সম্পৰ্কে চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি? যদি কৰা নাই, তেতিয়াহ'লে কেতিয়া ব্যৱস্থা কৰিব? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(গ) কৃষি যান্ত্ৰিকীকৰণ আৰু উন্নত কৰাৰ বাবে চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি? যদি কৰা নাই, তেতিয়াহ'লে কেতিয়া ব্যৱস্থা কৰিব? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

*বিষয় ঃ* **ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা সম্পৰ্কত।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ

* ১৯৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰে বৰ্তমানলৈকে কিমান হেক্টৰ বানপানী প্ৰৱণ ভূমি সুৰক্ষিত কৰিছে? জনাবনে?

(খ) ২০২১ চনৰ পৰা এতিয়ালৈকে কিমান ডাইক শক্তিশালী কৰিছে, কিমান কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰিছে আৰু কিমান কিলোমিটাৰ খহনীয়া সুৰক্ষাৰ কাম ৰূপায়ণ কৰিছে জনাবনে?

(গ) ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে কিমানটা নতুন মথাউৰি নিৰ্মাণৰ বাবে, গৰাখহনীয়া প্ৰতিৰোধৰ বাবে আঁচনিৰ প্ৰস্তাৱ দিয়া হৈছে, জনাবনে? (দুয়োটা আঁচনিৰ পুঁজিৰ পৰিমাণ উল্লেখ কৰি সদনৰ মজিয়াত দাখিল কৰিব)।

(ঘ) বিশ্ব বেংকৰ পৰা ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে এতিয়ালৈকে কিমান পুঁজি লাভ কৰিবলৈ সক্ষম হৈছে আৰু কিমান পুঁজি ব্যয় কৰিলে, জনাবনে?

(ঙ) গুৱাহাটী মহানগৰীৰ লেতেৰা আৱৰ্জনাবোৰ বাহিনী নৈৰে বৈ গৈ দ্বীপৰ বিলত পৰা কথাটোত চৰকাৰ অৱগতনে? যদি অৱগত, তেনেহ'লে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে, জনাবনে?

*Subject :* **BOP, Border Disputes and Infrastructure Development.**

Shri Abdur Rashid Mandal :

* 198. Will the Minister of Border Protection and Development Department be pleased to State :

(a) How many Border Outposts (BOPs) are there in Assam and how many personnel are deployed ? Please furnish the list of BOPs where infrastructures are imposed with amount spent for each unit during the tenure of present Govt.

(b) Please furnish year wise and district wise list of new BOPs established with personnel deployed during the tenure of present Govt.

(c) Please furnish list of places with areas lying disputed separately with Meghalaya, Mizoram, Nagaland and Arunachal Pradesh.

(d) Please furnish year wise and constituency wise list of works like roads, community halls etc. done with amount sanctioned, amount utilized and progress of works for each work during the tenure of present Govt.

*বিষয় ঃ* **কাপলাবড়ী বজাৰ প্ৰকল্প মেৰামতিকৰণ।**

শ্ৰীদিগন্ত বৰ্মন ঃ

* ১৯৯। মাননীয় উদ্যান শস্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নলবাৰী জিলাৰ বৰক্ষেত্ৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত কাপলাবড়ীত এখন বৃহৎ পাইকাৰী বজাৰ থকা সম্পৰ্কে কৃষি বিভাগ জ্ঞাতনে ?

(খ) কৃষি বিভাগৰ অধীনস্থ অসম ৰাজ্যিক কৃষি বিপণন পৰিষদে ২০০৪-০৫ বৰ্ষত উক্ত বজাৰত 'কাপলাবড়ী বজাৰ প্ৰকল্প' আৰু 'কেটেল চেট' নিৰ্মাণ কৰি ৰাইজৰ বাবে মুকলি কৰি দিয়া সন্দৰ্ভত চৰকাৰৰ ওচৰত তথ্য আছেনে ?

(গ) যদি আছে, মেৰামতিৰ প্ৰয়োজন হোৱা প্ৰকল্প দুটা অতি শীঘ্ৰে মেৰামতি কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

*বিষয় ঃ* **চুপাৰী সম্পৰ্কে**

শ্ৰীমতী নন্দিতা দাস ঃ

* ২০০। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ চনৰ পৰা ২০২৪ চনৰ ডিচেম্বৰ মাহলৈকে আমাৰ ৰাজ্যত কিমান চুপাৰী উৎপাদন হৈছে?

(খ) ৰাজ্যিক কৃষি বিপণন পৰিষদে কিমান টনৰ ওপৰত কিমান টকা মাৰ্কেটিং কৰ/ অন্য কৰ সংগ্ৰহ কৰিছে ?

(গ) ২০১২ চনৰ পৰা ২০২৪ চনৰ ডিচেম্বৰলৈকে অসমৰ কিমান চুপাৰী বহিঃৰাজ্যলৈ ৰপ্তানি কৰা হৈছে?

(ঘ) অসমৰ পৰা ৰপ্তানি হোৱা কিমান টন চুপাৰীৰ ওপৰত জি এছ টি সংগ্ৰহ কৰা হৈছে? তথ্য দিব।

---

A.G.P. (Mini) LAQ - 27 /2025-550-07-03-2025